**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***:::::::::::::::::::::::::::::::::::::::::***

১। অসম, পশ্চিমবংগ, কেৰলম, তামিলনাডু আৰু পুডুচেৰীত কাইলৈ পুৱাৰে পৰা বিধানসভা নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

২। পশ্চিমবংগৰ দক্ষিণ ২৪ পৰগনা জিলাৰ ফল্‌তা বিধানসভা সমষ্টিৰ আটাইকেইটা ভোটগ্ৰহণ কেন্দ্ৰতে পুনৰ ভোটগ্ৰহণ কৰা হব।

৩। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ছাহদাৰাৰ বিবেক বিহাৰত হোৱা অগ্নিকাণ্ডত প্ৰাণ হেৰুওৱা লোকসকলৰ বাবে গভীৰ শোক প্ৰকাশ কৰিছে। ***আৰু***

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৭ উইকেটত পৰাস্ত কৰে।

ooooo

অসম, পশ্চিমবংগ, কেৰলম, তামিলনাডু আৰু পুডুচেৰীত কাইলৈ পুৱাৰে পৰা বিধানসভা নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

অসমত ভোটগণনাৰ যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ভোটগণনা নিয়াৰিকৈ আৰু সুকলমে পৰিচালনাৰ বাবে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। ষ্ট্ৰং ৰুমসমূহৰ নিৰাপত্তা ব্যৱস্থাতো চোকা দৃষ্টি ৰখা হৈছে। কাইলৈ পুৱা ৮ বজাত ডাক বেলট গণনাৰে ভোটগণনা আৰম্ভ হ'ব।

ভোটগণনাৰ বাবে ৩৫ খন জিলাৰ মুখ্য কাৰ্যালয়ত মুঠ ৪০টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটগণনা প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে ১২৬ জন পৰ্যবেক্ষক নিয়োগ কৰা হৈছে আৰু এই প্ৰক্ৰিয়াত ৫ হাজাৰ ৯৮১ গৰাকী গণনা বিষয়া আৰু দুহেজাৰ ৩৪৭ গৰাকী মাইক্ৰ' অবজাৰ্ভাৰে সহযোগিতা আগবঢ়াব। প্ৰতিটো সমষ্টিৰ ভোটদানৰ হাৰত ভিত্তি কৰি ১৫ৰ পৰা ২৮টা ৰাউণ্ডত ভোট গণনা কৰা হ'ব।

তামিলনাডুত ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন হোৱাটো সুনিশ্চিত কৰাৰ উদ্দেশ্যে সকলো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ষ্ট্ৰং ৰুমসমূহৰ লগতে ভোটগণনা কেন্দ্ৰসমূহৰ চৌপাশে নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে। সকলো ৰাজনৈতিক দলে ইতিমধ্যে নিজৰ পোলিং এজেণ্টসকলৰ সৈতে ভোটগণনাৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰিবলৈ বৈঠকত মিলিত হৈছে। ডি এম কে আৰু টি ভি কে দলে কাইলৈ ৰাজ্যখনত ভোটগণনাৰ সময়ত আইন শৃংখলা বৰ্তাই ৰাখিবলৈ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে নিৰ্বাচন আয়োগলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে ৰাজ্যখনত ২৩৪ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন হয়। ৰাজ্যখনত ভোটগণনাৰ বাবে ১০ হাজাৰ ৫৪৫ গৰাকী কৰ্মী নিয়োগ কৰা হৈছে। এই সকলক ৪ হাজাৰ ৬২৪ গৰাকী মাইক্ৰ'অবজাৰ্ভাৰে সহায় কৰিব। আমাৰ সংবাদদাতাই

জনোৱা অনুসৰি ৰাজ্যখনত প্ৰতিটো সমষ্টিৰ বাবে একোজনকৈ মুঠ ২৩৪ গৰাকী গণনা পৰ্যবেক্ষক থাকিব। সকলো ভোটগ্ৰহণ কেন্দ্ৰৰ কাম-কাজ চি চি টিভিৰ জৰিয়তে নিৰীক্ষণ কৰা হ'ব। ই ভি এম তথা ভি ভি পেটসমূহ সম্পূৰ্ণ নিৰাপত্তাৰে ষ্ট্ৰং ৰুমৰ পৰা ভোটগণনা কেন্দ্ৰলৈ স্থানান্তৰ কৰা হৈছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ আশে পাশে হ'ব পৰা যিকোনো অপ্ৰীতিকৰ পৰিস্থিতি ৰোধ কৰিবলৈ যান-বাহনৰ চলাচলৰ পথ সাল-সলনি ঘটোৱা হৈছে।

নিৰ্বাচন আয়োগে পশ্চিমবংগত ৭৭ টা কেন্দ্ৰত ভোটগণনাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। ভোটগণনা নিয়াৰিকৈ কৰাৰ বাবে প্ৰতিটো ভোটগণনা কেন্দ্ৰতে কেইবা তৰপীয়া সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হৈছে। ৰাজ্যখনৰ ২৯৪ খন আসনৰ ভিতৰত ২৯৩ খনৰ বাবে কাইলৈ ভোটগণনা কৰা হ'ব।

কেন্দ্ৰীয় শাসিত পুডুচেৰীত বিধানসভা নিৰ্বাচনত ভোটগণনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ভোটগণনাক কেন্দ্ৰ কৰি অঞ্চলটোত ব্যাপক নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে আৰু সামগ্ৰিক ব্যৱস্থাপনাৰ প্ৰশাসনে পৰ্যবেক্ষণ কৰি আছে। পুডুচেৰীৰ মুখ্য নিৰ্বাচন বিষয়া পি জৱাহৰে আকাশবাণীক কয় যে কাইলৈ পুডুচেৰী অঞ্চলৰ ৩ টাৰ উপৰি কাৰাইকাল, য়ানম আৰু মাহেৰ এটাকৈ কেন্দ্ৰত কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ ৩০ টা সমষ্টিৰ আটাইকেইটাৰে ভোটগণনা কৰা হ'ব। অসামৰিক আৰক্ষী সশস্ত্ৰ আৰক্ষী আৰু কেন্দ্ৰীয় বাহিনীক লৈ ৩ তৰপীয়া নিৰাপত্তা গঢ়ি তোলা হৈছে। ভোটগণনাৰ দিনটোত প্ৰতিটো গণনা কেন্দ্ৰৰ এশ মিটাৰ ব্যাসৰ দূৰত্বত বিনা অনুমতিত প্ৰবেশ নিষিদ্ধ কৰা হৈছে। এই এলেকাত যান বাহনৰ চলাচলত অনুমতি দিয়া হোৱা নাই আৰু নিৰ্বাচন বিভাগৰ পৰিচয় পত্ৰ থাকিলেহে কোনো লোকক এলেকাটোত প্ৰবেশৰ অনুমতি দিয়া হৈছে। মুখ্য নিৰ্বাচন বিষয়াগৰাকীয়ে কয় যে দেশৰ নিৰ্বাচন আয়োগে নিযুক্তি দিয়া পৰ্যবেক্ষকৰ অধীনত সমগ্ৰ ভোটগণনা প্ৰক্ৰিয়াক স্বচ্ছ কৰি তোলাত গুৰুত্ব দিয়া হৈছে।

কেৰলমতো জ্যেষ্ঠ বিষয়াসকলে ১৪০ টা ভোটগণনা কেন্দ্ৰত যাৱতীয় প্ৰস্তুতি অন্তিমবাৰৰ বাবে পৰ্যবেক্ষণ কৰিছে। ভোটগণনা  সুচাৰুৰূপে সম্পন্ন হোৱাটো নিশ্চিত কৰাৰ বাবে ভোটগণনা কেন্দ্ৰসমূহৰ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। গণনাকাৰী বিষয়াসকলে কাইলৈ পুৱা ৬ বজাৰ পূৰ্বে ভোটগ্ৰহণ কেন্দ্ৰসমূহত উপস্থিত হোৱাৰ কথা। গণনা সহযোগী সকলক গণনা আৰম্ভ হোৱাৰ অতি কমেও এঘণ্টা পূৰ্বে ভোটগণনা কেন্দ্ৰত উপস্থিত হ'বলৈ নিৰ্দেশ দিয়া হৈছে। নিৰ্বাচন আয়োগে ৰিটাৰ্ণিং বিষয়াকে ধৰি সকলো গণনাকাৰী বিষয়াৰ বাবে নতুনকৈ ব্যৱস্থা কৰা কিউ আৰ কোড সম্বলিত ফটো পৰিচয় পত্ৰ লগত ৰখাটো বাধ্যতামূলক হিচাপে ঘোষণা কৰিছে।

০০০০

পশ্চিমবংগৰ দক্ষিণ ২৪ পৰগনা জিলাৰ ফলতা বিধানসভা সমষ্টিৰ আটাইকেইটা ভোটগ্ৰহণ কেন্দ্ৰতে পুনৰ ভোটগ্ৰহণ কৰা হব। বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত ২৯ এপ্ৰিলত হোৱা ভোটগ্ৰহণৰ সময়ত ব্যাপক অনিয়ম আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়া উলংঘনৰ অভিযোগ পোৱাৰ পাছতে নিৰ্বাচন আয়োগ সমষ্টিটোৰ সামগ্ৰিক ভোটগ্ৰহণ প্ৰক্ৰিয়া বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰি সমষ্টিটোৰ ২৮৫টা ভোটগ্ৰহণ কেন্দ্ৰৰ আটাইকেইটাতে ২১ মে'ত নতুনকৈ ভোটগ্ৰহণ কৰা হ'ব।

পৰ্যবেক্ষকে দাখিল কৰা প্ৰতিবেদনত ই ভি এম টেম্পাৰিং, ভোটদাতাক ভাবুকি আৰু ভোটগ্ৰহণৰ নিয়মাৱলী উলংঘনকে ধৰি ব্যাপক অনিয়ম হোৱা বুলি উল্লেখ কৰা হৈছে। আনকি সমষ্টিটোৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰত ই ভি এমৰ বুটাম ক'লা টেপেৰে ঢাকি থোৱাৰ অভিযোগো উত্থাপন হৈছিল আৰু ইয়াৰ ফলত ভোটগ্ৰহণ প্ৰক্ৰিয়াত

বাধাৰ সৃষ্টি হৈছিল। লগতে ভোটগ্ৰহণ কেন্দ্ৰত কৰ্তৃত্বহীন লোকৰ প্ৰৱেশ আৰু আনৰ হৈ ভোট দিয়াৰ অভিযোগ উত্থাপন হৈছিল। সমষ্টিটোত হোৱা ব্যাপক অনিয়মক লৈ একাংশ ভোটদাতাই ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিছিল আৰু সমষ্টিটোত পুনৰ নিৰ্বাচনৰ দাবী জনাইছিল।

০০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ছাহদাৰাৰ বিবেক বিহাৰত হোৱা অগ্নিকাণ্ডত প্ৰাণ হেৰুওৱা লোকসকলৰ বাবে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁলোকে অগ্নিকাণ্ডত নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। প্ৰধানমন্ত্ৰী গৰাকীয়ে পি এম ৰাষ্ট্ৰ সাহায্য পুজিৰ পৰা নিহত সকলৰ নিকট আত্মীয়লৈ দুই লাখ টকাকৈ আৰ্থিক সাহায্য ঘোষণা কৰিছে। তদুপৰি আহতসকলৰ প্ৰতিগৰাকীলৈ ৫০ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব।

০০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে দেশত ব্যক্তিগত খণ্ডত নিৰ্মিত আটাইতকৈ বৃহৎ উপগ্ৰহ তথা বিশ্বৰ প্ৰথম অপ্টো এছ্ এ আৰ উপগ্ৰহৰ সফল উৎক্ষেপণৰ বাবে গেলেক্স আইক অভিনন্দন জ্ঞাপন কৰিছে। এটা বাৰ্তাৰ জৰিয়তে উপৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই পদক্ষেপে ব্যক্তিগত মহাকাশ খণ্ডত দেশৰ বৰ্ধিত সামৰ্থ প্ৰতিফলিত কৰিছে। তেওঁ লগতে কয় যে দেশৰ বাণিজ্যিক মহাকাশ পৰিবেশ তন্ত্ৰত দৃষ্টি অভিযান উল্লেখযোগ্য অগ্ৰগতি।

দেশৰ মহাকাশ যাত্ৰাত গেলেক্স আইৰ দৃষ্টি অভিযানে উল্লেখযোগ্য সফলতা প্ৰতিফলিত কৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ ব্যক্তিগত খণ্ডত নিৰ্মিত এতিয়ালৈ আটাইতকৈ বৃহৎ উপগ্ৰহ তথা বিশ্বৰ প্ৰথম অপ্টো এছ্ এ আৰ উপগ্ৰহৰ সফল উৎক্ষেপণে ৰাষ্ট্ৰ নিৰ্মাণ আৰু উদ্ভাৱনৰ বাবে যুৱ সমাজৰ আগ্ৰহ প্ৰতিফলিত কৰিছে। শ্ৰীমোদীয়ে গেলেক্স আইৰ সমগ্ৰ দলটো তথা প্ৰতিষ্ঠাপকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

আকাশবাণীৰ বাতৰি বিভাগৰ হোৱাটছএপ চেনেলৰ অনুসৰণকাৰীৰ সংখ্যাই এক লাখ স্পৰ্শ কৰিছে। উল্লেখযোগ্য যে এই হোৱাটছএপ চেনেলৰ জৰিয়তে দৈনিক শেহতীয়া বাতৰিকে ধৰি বিভিন্ন খবৰ প্ৰতি মুহূৰ্তত প্ৰকাশ কৰা হয়।

০০০০০

চলিত বৰ্ষৰ শেষৰ ফালে আধাৰ কাৰ্ড কেৱল এখন ফটো আৰু কিউ আৰ কোডলৈ পৰিৱৰ্তিত হ'ব বুলি সামাজিক মাধ্যম তথা বিভিন্ন মাধ্যমত বিয়পি পৰা বাতৰি ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে খণ্ডন কৰিছে। এনে ধৰণৰ কোনো পৰিৱৰ্তনৰ পৰিকল্পনা নাই বুলি মন্ত্ৰালয়ে স্পষ্ট কৰি দিছে। এনে প্ৰতিবেদন তথা সামাজিক মাধ্যমৰ জৰিয়তে বিয়পি পৰা বাৰ্তাই জনসাধাৰণৰ মনত অনিশ্চয়তাৰ সৃষ্টি কৰে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এনে বাৰ্তাসমূহ এৰাই চলিবলৈ জনসাধাৰণক পৰামৰ্শ দিয়া হৈছে। পি আই বিৰ জৰিয়তে জাৰি কৰা প্ৰেছ বিজ্ঞপ্তি আৰু ইউ আই ডি এ আইৰ সামাজিক মাধ্যমৰ আনুষ্ঠানিক হেণ্ডেলৰ জৰিয়তে প্ৰকাশিত চৰকাৰী বিজ্ঞপ্তিসমূহ অনুসৰণ কৰিবলৈ জনসাধাৰণক পৰামৰ্শ দিয়া হৈছে।

০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে- ছানৰাইজাৰ্ছ হায়দৰাবাদক ৭ উইকেটৰ পৰাস্ত কৰে। খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ ট্ৰেভিজ হেদে ৬১ আৰু ইশান কিশানে ৪২ ৰানৰ বৰঙণি আগবঢ়ায়।

প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে ১৮ অভাৰ ২ টা বলত৩  টা উইকেট হেৰুৱাই ১৬৯ ৰান সংগ্ৰহ কৰে।

প্ৰতিযোগিতাৰ আহমেদাবাদত কিছুসময় পাছত হ'বলগীয়া আন এখন খেলত গুজৰাট টাইটানছ - পাঞ্জাৱ কিংছৰ মুখামুখি হ'ব। গুজৰাট টাইটানছে টছত জয়ী হৈ পাঞ্জাব কিংছক বেট ধৰিবলৈ আমন্ত্ৰণ জনাইছে।

ooooo

ঃঃ সমাপ্ত ঃঃ